অধ্যায় ১০ ঃ উন্নয়নৰ বাবে পৰিকল্পনা

অধ্যায় গাঁথনি

১০.১ উদ্দেশ্য

১০.২ পৰিচয়

১০.৩ পৰিকল্পনাৰ কিছু প্ৰাৰম্ভিক ধাৰণা

১০.৩.১ পৰিকল্পনাৰ প্ৰয়োজনীয়তা

১০.৩.২ পৰিকল্পনাৰ প্ৰকাৰসমূহ

১০.৪ ভাৰতত অৰ্থনৈতিক পৰিকল্পনা

১০.৪.১ পৰিকল্পনা আয়োগ

১০.৪.২ নীতি আয়োগ

১০.৪.৩ ৰাষ্ট্ৰীয় উন্নয়ন পৰিষদ

১০.৫ অৰ্থনৈতিক পৰিকল্পনাৰ সামগ্ৰিক উদ্দেশ্যাৱলী

১০.৬ ভাৰতৰ পৰিকল্পনাৰ এক ৰূপৰেখাঃ সফলতা আৰু বিফলতা সমূহ

১০.৬.১ ভাৰতৰ পৰিকল্পনা পদ্ধতিৰ শেহতীয়া পৰিৱৰ্তন

১০.৭ দ্বাদশ পঞ্চবাৰ্ষিক পৰিকল্পনা (২০১২-১৭)

১০.৭.১ পৰিকল্পনাৰ প্ৰধান উদ্দেশ্যাৱলী

১০.৭.২ পৰিকল্পনাৰ লক্ষ্যনীয় লক্ষ্যসমূহ

১০.৭.৩ দ্বাদশ পঞ্চবাৰ্ষিক পৰিকল্পনাৰ অধীনত অৰ্থনীতিৰ বিভিন্ন খণ্ড উন্নয়নৰ ধৰণ

১০.৭.৪ বিগত পঞ্চবাৰ্ষিক পৰিকল্পনাৰ লক্ষ্য আৰু সফলতাসমূহঃ সমালোচনাত্মক মূল্যায়ন

১০.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১০.৯ অধিক জানিবলৈ

১০.১০ অগ্ৰগতিৰ খতিয়ান

১০.১১ আৰ্হি প্ৰশ্ন

১০.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- ভাৰতবৰ্ষত পৰিকল্পনাৰ আৰম্ভণি সম্পৰ্কে বুজিব পাৰিব
- পৰিকল্পনা আয়োগ আৰু ৰাষ্ট্ৰীয় উন্নয়ন পৰিষদৰ ভূমিকাৰ বিষয়ে আলোচনা কৰিব পাৰিব

- ভাৰতৰ পঞ্চবার্ষিক পৰিকল্পনা সমূহৰ সামগ্রিক দৃশ্যাৱলী, লক্ষ্যসমূহ, সফলতা আৰু বিফলতা সমূহৰ বিষয়ে ব্যাখ্যা কৰিব পাৰিব
- চলিত পঞ্চবার্ষিক পৰিকল্পনাৰ ওপৰত আলোকপাত কৰিব পাৰিব।

১০.২ পৰিচয়

অর্থনৈতিক পৰিকল্পনাৰ সাম্প্রতিক ধাৰণাটো তুলনামূলক ভাৱে নতুন আৰু কিছু পৰিমানে মার্ক্সিয় সমাজবাদৰ ওপৰত আধাৰিত। ১৯২৮ চনত প্রথমবাৰৰ বাবে ছোভিয়েট ইউনিয়নে, অর্থনৈতিক পৰিকল্পনাৰ ধাৰণাটো উদ্ভাৱন কৰিছিল, যাৰ উদ্দেশ্য আছিল দেশখনক ঔদ্যোগিক ভাৱে শ্রেষ্ঠত্তম শক্তিলৈ ৰূপান্তৰ কৰা। অর্থনৈতিক পৰিকল্পনাৰ ধাৰণাটোৱে ১৯৩০ চনত বৃহৎ অর্থনৈতিক মন্দাৱস্থাৰ সময়ত শক্তিশালী হয় আৰু আনকি কেইনছৰ লিখনিতো অর্থনৈতিক পৰিকল্পনাৰ সপক্ষে যুক্তি দাঙি ধৰা হয়। দ্বিতীয় বিশ্বযুদ্ধৰ পৰিঘটনায়ো অর্থনৈতিক পৰিকল্পনাৰ প্রয়োজনীয়তাত গুৰুত্ব প্রদান কৰে, যিয়ে যুদ্ধৰ পৰৱর্ত্তী সময়ত অর্থনৈতিক সম্পদ সমূহৰ দক্ষতাপূর্ণ আৰু সফল ব্যৱহাৰত সহায় কৰিব।

১০.৩ পৰিকল্পনাৰ কিছু প্রাৰম্ভিক ধাৰণা

১০.৩.১ পৰিকল্পনাৰ প্রয়োজনীয়তা

ভাৰতবর্ষত পৰিকল্পিত আৰু সুসংহত অর্থনৈতিক বিকাশৰ প্রয়োজনীয়তা আৰু গুৰুত্ব স্বাধীনতা আন্দোলনৰ সামন্তৰালভাৱে চৰকাৰী তত্বাৱধানত স্বীকৃত হৈছিল। ১৯৩০ চনত যেতিয়া স্বাধীনতা আন্দোলন তুঙ্গঁত আছিল, আর্থ সামাজিক লক্ষ্যসমূহো সুনির্দিষ্ট হৈছিল। তেতিয়াৰ কংগ্রেছ সভাপতি সুভাষ চন্দ্র বসুৱে জাতীয় পৰিকল্পনাৰ ওপৰত অতি গুৰুত্ব দিছিল আৰু জৱহাৰলাল নেহৰুক অধ্যক্ষ হিচাপে লৈ জাতীয় পৰিকল্পনা সমিতি নিয়োগ কৰিছিল। স্বাধীনোত্তৰ কালত, নেহৰুক অধ্যক্ষ হিচাপে লৈ ১৯৫০ চনৰ মার্চ মাহত পৰিকল্পনা আয়োগ গঠন কৰা হৈছিল। ১৯৫১ চনত ভাৰতবর্ষই ভৱিষ্যতৰ বাবে পৰিকল্পনা আৰম্ভ কৰে। জৱহাৰলাল নেহৰুৰ নেতৃত্বত গাঁথনিগত আৰু কার্যকৰী পৰিৱর্তন আনিবলৈ ভাৰতে এক শিথিল পৰিকল্পনা কৌশল অৱলম্বন কৰিছিল।

ভাৰতবর্ষৰ পৰিকল্পনাৰ সামগ্রিক উদ্দেশ্যাৱলী ঃ যিহেতু ভাৰতবর্ষ এখন উন্নয়নশীল ৰাষ্ট্র, সেয়ে অর্থনৈতিক বিকাশৰ সৈতে পূর্ণ নিয়োগ আহৰণ কৰা ইয়াৰ প্রাথমিক লক্ষ্য। সেই অনুসৰি প্রায় সকলোবোৰ পঞ্চবার্ষিক পৰিকল্পনাৰ উদ্দেশ্যাৱলী তলত উল্লেখ কৰা হ'ল —

প্রায় সকলোবোৰ উন্নয়নশীল দেশতে অর্থনৈতিক পৰিকল্পনাৰ প্রাথমিক উদ্দেশ্য হ'ল ৰাষ্ট্রৰ অর্থনৈতিক বিকাশ। মূলধন গঠনৰ বাবে আয়ৰ পৰিমাণ, সঞ্চয়

আৰু বিনিয়োগ বৃদ্ধি কৰা উচিত, যিয়ে অর্থনৈতিক বিকাশৰ হাৰ বৃদ্ধি কৰে। উন্নয়নশীল ৰাষ্ট্ৰসমূহৰ প্ৰায়বোৰ জনসাধাৰণেই দুখীয়া আৰু তেওঁলোকৰ আয়ৰ পৰিমাণো কম যিয়ে তেওঁলোকৰ সঞ্চয়ৰ ক্ষমতা হ্ৰাস কৰে। নিম্ন পৰিমাণৰ সঞ্চয়ৰ ফলত মূলধন গঠন নিম্ন হয়। মূলধনৰ নাটনি আৰু নিম্ন উৎপাদনশীলতাৰ বাবে বিনিয়োগৰ পৰিমাণো কম হয়। এই পৰিস্থিতিত পৰিকল্পিত উন্নয়নৰ বাবে দুটা পদ্ধতি ব্যৱহাৰ কৰিব পাৰি। দেশৰ বাহিৰৰ পৰা মূলধন আমদানি কৰিব পাৰি যাক জুইগ (Zweig) এ "সমৰ্থিত উদ্যোগীকৰণ" বুলি কৈছে আৰু আনটো হ'ল "ইচ্ছাকৃত জোৰপূৰ্বক সঞ্চয়" যাক তেওঁ "আত্মনিৰ্ভৰশীল উদ্যোগীকৰণ বুলি চিহ্নিত কৰিছে। ভাৰতবৰ্ষই দ্বিতীয় বিকল্পটো অৱলম্বন কৰিব বিচাৰিছে আৰু সেই কাৰণে কিছুমান সংলগ্ন উদ্দেশ্যাৱলী গ্ৰহণ কৰিছে। যেনে—

- **নিবনুৱা দূৰীকৰণ ঃ** অর্থনীতি সমূহৰ পৰা নিবনুৱা দূৰীকৰণৰ প্ৰয়োজনীয়তাৰ বাবে পৰিকল্পনাৰ প্ৰয়োজনীয়তাৰ ওপৰত অধিক গুৰুত্ব দিয়া হৈছে। উন্নয়নশীল দেশসমূহত মূলধনৰ সীমাবদ্ধতা আৰু অপর্যাপ্ত শ্ৰমৰ বাবে নিবনুৱা সমস্যাৰ সৃষ্টি হয়। অত্যধিক শ্ৰমৰ পর্যাপ্ততাৰ বাবে অর্থনীতিত অনিচ্ছাকৃত নিবনুৱাৰ সৃষ্টি হয়। কেন্দ্ৰত অধিক শক্তিশালী কর্তৃপক্ষ স্থাপন আৰু এই কর্তৃপক্ষক অধিক শক্তি প্ৰদানৰ জৰিয়তে এই সমস্যা সমাধান কৰিব পাৰি।
- **বজাৰ ব্যৱস্থাৰ উন্নয়ন আৰু সাৱলীকৰণ ঃ** উন্নয়ন আৰু সাৱলীকৰণৰ বাবে বজাৰ ব্যৱস্থাৰ প্ৰয়োজনীয়তা আছে। জ্ঞানৰ অভাৱ আৰু ইয়াৰ সৈতে পৰিচিত নোহোৱাৰ বাবে উন্নয়নশীল দেশসমূহত বজাৰ ব্যৱস্থা সঠিক ভাৱে কাম নকৰে। উন্নয়নশীল দেশ সমূহৰ অর্থনীতিৰ অধিকাংশই অ-মুদ্ৰাগত খণ্ডৰ সৈতে জড়িত। ঠিক সেইদৰে, উৎপাদনৰ উপাদান আৰু মুদ্ৰা বজাৰো সুসংগঠিত নহয়। দৰ ব্যৱস্থা একেবাৰে প্ৰাথমিক পর্যায়ত প্ৰচলিত হৈ থাকে। সেইবাবে অর্থনীতিৰ চাহিদা আৰু যোগানৰ মাজত সামঞ্জস্য স্থাপনৰ বাবে পৰিকল্পনাৰ প্ৰয়োজন।
- **অর্থনীতিৰ সু-প্ৰগতি ঃ** সক্ৰিয় আৰু সুদক্ষ পৰিকল্পনাৰ অনুপস্থিতিত অর্থনীতিৰ পৰিকল্পনাৰ বাবে আত্মনিয়োগ কৰিব পৰা প্ৰতিষ্ঠান স্থাপন কৰাটো অতি প্ৰয়োজনীয়। অর্থনীতিৰ দ্ৰুত উন্নয়নৰ বাবে কৃষি আৰু উদ্যোগ খণ্ডত চৰকাৰৰ ফালৰ পৰা অধিক বিনিয়োগ, গুৰুত্ব আৰু সক্ৰিয় নীতিৰ প্ৰয়োজন আছে। আমদানি আৰু ৰপ্তানি নিয়ন্ত্ৰণত ৰখা উচিত আৰু দুয়োটাৰে মাজত ভাৰসাম্য ৰক্ষাৰ চেষ্টা কৰা উচিত যাতে দক্ষতাপূর্ণভাৱে বৈদেশিক বিনিময় ব্যৱস্থাপনা কৰিব পাৰি।
- **কৃষি আৰু ঔদ্যোগিক খণ্ডৰ প্ৰগতি ঃ** কৃষি খণ্ডৰ লগতে ঔদ্যোগিক খণ্ডতো উন্নয়নৰ প্ৰয়োজনীয়তা এই কাৰণে উদ্ভৱ হয় যিহেতু কৃষি আৰু উদ্যোগ পৰস্পৰ নির্ভৰশীল। কৃষি খণ্ডৰ উন্নয়নে উদ্যোগ সমূহলৈ প্ৰচুৰ পৰিমাণে প্ৰয়োজনীয় কেঁচামালৰ যোগান ধৰিব।

- **মুদ্রা আৰু মুলধন বজাৰৰ প্ৰগতি ঃ** বাণিজ্যৰ উন্নয়ন কেৱল মাত্ৰ কৃষি আৰু উদ্যোগ খণ্ডৰ ওপৰতে নিৰ্ভৰ নকৰে, ই অন্যান্য বিত্তীয় প্ৰতিষ্ঠান সমূহৰ স্থিৰ উন্নয়নৰ ওপৰতো নিৰ্ভৰশীল। সকলোবোৰ উন্নয়নশীল দেশত মুদ্রা আৰু মুলধন বজাৰ অনুন্নত। এই বজাৰ সমূহৰ উন্নয়ন নিৰ্ভৰ কৰে আন্তঃৰাষ্ট্ৰীয় বজাৰ আৰু বিশ্বৰ অৰ্থনৈতিক অৱস্থাৰ ওপৰত।
- **আন্তঃগাঁথনিৰ উন্নয়ন ঃ** কৃষি আৰু উদ্যোগৰ উন্নয়নৰ কাৰণে অতি খৰতকীয়াভাৱে আন্তঃগাঁথনিৰ আমুল উন্নয়নৰ প্ৰয়োজন। যদি আন্তঃগাঁথনিৰ উন্নয়ন পিচপৰি থাকে, ই অন্যান্য খণ্ডৰ উন্নয়নতো প্ৰভাৱ পেলায়। ভাৰতৰ দৰে দেশত আন্তঃগাঁথনিৰ অধিক উন্নয়ন লাভ কৰিবলৈ তথা দ্ৰুতগতিত আন্তঃগাঁথনিৰ প্ৰকল্প সমূহ সম্পূৰ্ণ কৰিবলৈ হ'লে ৰাজহুৱা ব্যক্তিগত আৰ্হি (Public-Private Model) বহুলভাৱে ব্যৱহাৰ কৰিব পাৰি।

১০.৩.২ পৰিকল্পনাৰ প্ৰকাৰসমূহ

- **নিৰ্দেশাত্মক পৰিকল্পনা** (Directional planning)ঃ সমাজবাদত বিশ্বাসী দেশ সমূহে নিৰ্দেশাত্মক প্ৰকৃতিৰ পৰিকল্পনা ৰূপায়ন কৰে। পৰিকল্পনাৰ লক্ষ্য সমূহ পূৰ্ব নিৰ্ধাৰিত আৰু ক্ষমতাত থকা চৰকাৰৰ সহায়ত ইয়াক কাৰ্যকৰী কৰা হয়। এই ধৰণৰ পৰিকল্পনাত সকলোবোৰ গুৰুত্বপূৰ্ণ সিদ্ধান্ত ৰাষ্ট্ৰৰ দ্বাৰা লোৱা হয়। এই ধৰণৰ পৰিকল্পনাত বিত্তীয় প্ৰতিষ্ঠান সমূহ, ঔদ্যোগিক খণ্ড সমূহ, পৰিবহন আৰু আন্তঃগাঁথনি আদিকে ধৰি সকলোবোৰ ৰাষ্ট্ৰৰ নিয়ন্ত্ৰণত থাকে।

  নিৰ্দেশাত্মক পৰিকল্পনাৰ ত্ৰুটি সমূহ ঃ

  - ইয়াৰ লগত আমোলাতান্ত্ৰিক ব্যৱস্থা জড়িত যি সময়বহুল। লগতে ইয়াৰ স্পষ্টতাৰো অভাৱ।
  - বজাৰ সমূহ ৰাষ্ট্ৰৰ নিয়ন্ত্ৰণত থাকে।
  - নিৰ্দেশাত্মক পৰিকল্পনা অতি অশিথিল প্ৰক্ৰিয়া আৰু ইয়াত উপভোক্তা তথা উৎপাদনকাৰীৰ প্ৰতি দায়িত্বশীলতাৰ অভাৱ।
  - নিৰ্দেশাত্মক পৰিকল্পনা লক্ষ্য নিৰ্ধাৰিত আৰু ইয়াক যিকোনো মূল্যৰ বিনিময়ত আহৰণ কৰিব বিচৰা হয়। ফলস্বৰূপে, ইয়াক কাৰ্যকৰী কৰাটো অতি কঠিন। এই ব্যৱস্থাত কেতিয়াবা সম্পদ আৰু মানৱ শক্তিৰ শোষণো হয়, যিয়ে অস্থিৰতাৰ সৃষ্টি কৰে।
  - নিৰ্দেশাত্মক পৰিকল্পনাই উৎপাদন পদ্ধতিৰ আদৰ্শীকৰণ ঘটায় যাৰ পৰিণতিত একে ধৰণৰ উৎপাদন ক্ষমতা সৃষ্টি হয় আৰু যিয়ে নতুনত্ব উদ্ভাৱন হ্ৰাস কৰে।
- **উদ্‌গনিমূলক পৰিকল্পনা** (Planning by inducement) ঃ উদ্‌গনিমূলক পৰিকল্পনা হ'ল সাৰ্বভৌম পৰিকল্পনা। অৰ্থনীতিক সক্ৰিয়ভাৱে নিয়ন্ত্ৰণ কৰিবলৈ ক্ষমতাত

থকা চৰকাৰে বিভিন্ন মৌদ্রিক আৰু ৰাজস্ব নীতি সূচনা কৰে। যদি কর্তৃপক্ষই কোনো উদ্যোগৰ উন্নতি বিচাৰে, তেনেহ'লে ই সেই উদ্যোগ আৰু ইয়াৰ আনুসংগিক গোট সমূহলৈ ৰাজসাহার্য্য প্রদান কৰিব। যদি চৰকাৰে দেখে যে কোনো এক বজাৰত ক'লা বজাৰ বা কোনো বিশেষ সামগ্রীৰ নাটনিয়ে দেখা দিছে, তেতিয়া ই দৰ নিয়ন্ত্রণৰ ব্যৱস্থা গ্রহণ কৰিব পাৰে আৰু সামগ্রী বিধৰ ৰেচনৰ (rationing) ব্যৱস্থা কৰিব পাৰে। মূলধন বৃদ্ধিৰ বাবে ই বিনিয়োগ কৰিব পাৰে আৰু ব্যক্তিগত বিনিয়োগকাৰীক উৎসাহ যোগাব পাৰে। ই উপযুক্ত মৌদ্রিক নীতি গ্রহণ কৰিব পাৰে আৰু উপভোগ হ্রাস বা বৃদ্ধিৰ বাবে কৰ ব্যৱস্থা পৰিৱর্তন কৰিব পাৰে।

উদ্গনিমূলক পৰিকল্পনাৰ ত্রুটি সমূহ ঃ

- কেতিয়াবা সামগ্রীৰ নাটনি হোৱা অৱস্থা সৃষ্টি হ'ব পাৰে আৰু চৰকাৰৰ দ্বাৰা ৰেচন তথা দৰ নিয়ন্ত্রণ গ্রহণ কৰা হ'ব পাৰে।
- মৌদ্রিক আৰু ৰাজস্ব নীতি সমূহ মূলধন বৃদ্ধিৰ জৰিয়তে দেশৰ অর্থনৈতিক উন্নয়নত অৰিহণা যোগোৱা বাবে অকার্যকৰী।

- **দূৰদর্শী পৰিকল্পনা** (Perspective planning)ঃ দূৰদর্শী পৰিকল্পনা হ'ল ২০ ৰ পৰা ২৫ বছৰ জুৰি এক দীঘলীয়া সময়ৰ বাবে কৰা পৰিকল্পনা। এক দীঘলীয়া সময়ৰ বাবে গ্রহণ কৰা ই এক বিকাশৰ ৰূপৰেখা। দূৰদর্শী পৰিকল্পনাৰ অর্থ এইটো নহয় যে এটা একক পৰিকল্পনাই সুদীর্ঘ ২০ বছৰ ধৰি চলি থাকিব। এই ধৰণৰ পৰিকল্পনাত লক্ষ্যসমূহ এক নির্দিষ্ট সময়ৰ বাবে নির্ধাৰণ কৰা হয়। উদাহৰণস্বৰূপে, ভাৰতৰ পঞ্চবার্ষিক পৰিকল্পনাসমূহ যাক হ্রস্বম্যাদী পৰিকল্পনা বুলিও কোৱা হয়। এইবোৰক আৰু ভাগ কৰি বার্ষিক পৰিকল্পনা কৰিব পৰা যায়। এই পঞ্চবার্ষিক পৰিকল্পনা সমূহে সাধাৰণতে ধাৰাবাহিকতা ৰক্ষা কৰে। এইবোৰক আকৌ ৰাজ্যিক আৰু জিলা পর্যায়ৰ আঞ্চলিক পৰিকল্পনা হিচাপেও ভাগ কৰিব পাৰি।

দূৰদর্শী পৰিকল্পনাৰ ত্রুটি সমূহ ঃ

- দূৰদর্শী পৰিকল্পনা সমূহ সাধাৰণতে দীঘলীয়া সময়ৰ বাবে লোৱা হয়। সেইবাবে পৰিকল্পনাৰ অগ্রগতিৰ ক্ষেত্রত যাৱতীয় সংযোজন কৰাটো অতি কঠিন।
- এনেকুৱা ধৰণৰ পৰিকল্পনাৰ ক্ষেত্রত প্রায়ে প্রশাসনিক সমস্যা দেখা যায় যিহেতু ইয়াৰ কার্যকৰী কৰাৰ বাবে অতি উচ্চ দক্ষতা পূর্ণ আমোলাতন্ত্রৰ প্রয়োজন।

- **পৰামর্শমূলক পৰিকল্পনা** (Indicative planning) ঃ পৰামর্শমূলক পৰিকল্পনা এক শিথিল ধৰণৰ পৰিকল্পনা। ই সামগ্রিক পৰিকল্পনাতকৈ পৃথক। ই এক বিকেন্দ্রীভূত ধৰণৰ পৰিকল্পনা। এই ধৰণৰ পৰিকল্পনাত নিয়ন্ত্রণ যথেষ্ট কম।

পৰামর্শমূলক পৰিকল্পনাত ৰাজহুৱা খণ্ডৰ লক্ষ্য সমূহ বাধ্যতামূলক। আনহাতে ব্যক্তিগত খণ্ডৰ বাবে সেইবোৰ কেৱল মাত্র পৰামর্শমূলক। কিন্তু ইয়াৰ অর্থ এইটো নহয় যে চৰকাৰে উপযুক্ত দিশত ব্যক্তিগত খণ্ডৰ ওপৰত ইয়াৰ ক্ষমতা প্রয়োগ

কৰিব নোৱাৰিব। ইয়াক আৰম্ভণিতে ফ্ৰান্স আৰু জাপান আদিৰ দৰে দেশত প্ৰয়োগ কৰা হৈছিল।

পৰামৰ্শমূলক পৰিকল্পনাৰ ত্ৰুটি সমূহ ঃ

- পৰামৰ্শমূলক পৰিকল্পনাই অৰ্থনৈতিক পৰিকল্পনাত জড়িত অভিজ্ঞানসমূহক কেৱল প্ৰভাৱিত হে কৰিব পাৰে।
- পৰ্যবেক্ষণ নকৰিলে পৰামৰ্শমূলক পৰিকল্পনা বিপৰ্যয়ত পৰিণত হ'ব পাৰে।
- যিহেতু এই পৰিকল্পনাত চৰকাৰৰ বিশেষ কৰিব লগা নাথাকে, সামগ্ৰিক ব্যৱস্থাটোক আওকান কৰি ব্যক্তিগত লাভৰ বাবে কিছুমান একচেটিয়া শক্তি গঢ় লৈ উঠিব পাৰে যিয়ে অৰ্থনীতিত মুদ্ৰাস্ফীতিৰ সৃষ্টি কৰিব পাৰে।

- **নিয়ন্ত্ৰণাত্মক পৰিকল্পনা** (Imperative planning) ঃ নিয়ন্ত্ৰণাত্মক পৰিকল্পনাত ক্ষমতাত থকা চৰকাৰে অৰ্থনীতিৰ সকলোবোৰ অৰ্থনৈতিক কাৰ্যাৱলী আৰু সম্পদ পৰিচালনা আৰু নিয়ন্ত্ৰণ কৰে। পৰিকল্পনাত নিৰ্ধাৰিত লক্ষ্যত উপনীত হ'বৰ বাবে সকলোবোৰ সম্পদ উচ্চ দক্ষতাৰে ব্যৱহাৰ কৰা হয়। এনেকুৱা পৰিকল্পনাত উপভোক্তাই সামগ্ৰী এটাৰ নিৰ্দিষ্ট দৰত নিৰ্দিষ্ট পৰিমাণ লাভ কৰে। যিহেতু চৰকাৰৰ সিদ্ধান্ত আৰু নীতি নিৰ্ধাৰণ অতি সুদৃঢ় সেইবোৰ অংশগ্ৰহণকাৰী সকলে মানি চলিব লাগে। এনেধৰণৰ পৰিকল্পনা ৰাছিয়া আৰু চীনৰ দৰে দেশ সমূহত প্ৰয়োগ হয়।
- **গণতান্ত্ৰিক পৰিকল্পনা** (Democratic planning) ঃ গণতান্ত্ৰিক পৰিকল্পনাত জনসাধাৰণৰ প্ৰয়োজন আৰু আৱশ্যকতা অনুসৰি পৰিকল্পনা প্ৰস্তুত কৰা হয়। গণতান্ত্ৰিক পৰিকল্পনাৰ বৈশিষ্ট্য হ'ল যে ইয়াত অৰ্থনীতিৰ অংশগ্ৰহণকাৰী বিভিন্ন চৰকাৰী অভিকৰণ, ব্যক্তিগত অভিকৰণ বা উদ্যোগৰ লগতে পৰিকল্পনা সম্পৰ্কে আলোচনা কৰা হয়। পৰিকল্পনা প্ৰস্তুত কৰণ পৰ্যায়ত এনে আলোচনা অনুষ্ঠিত কৰা হয়। পৰিকল্পনা দেশৰ সংসদত আলোচনাৰ বাবে উত্থাপিত হয়। গণতান্ত্ৰিক পৰিকল্পনাৰ মুখ্য উদ্দেশ্য হ'ল আয় আৰু সম্পদৰ অসমতা দূৰ কৰা। এই পৰিকল্পনাত জনসাধাৰণে সামাজিক, ৰাজনৈতিক আৰু অৰ্থনৈতিক স্বাধীনতা উপভোগ কৰে।
- **স্থিৰ পৰিকল্পনা** (Fixed planning) ঃ এই ধৰণৰ পৰিকল্পনা এক নিৰ্দিষ্ট সময়ৰ বাবে প্ৰস্তুত কৰা হয়। স্থিৰ পৰিকল্পনাৰ লক্ষ্য আৰু উদ্দেশ্য সমূহ পৰিকল্পনাৰ সময়ছোৱাৰ ভিতৰতে আহৰণ কৰিব লাগে। যিহেতু লক্ষ্য আৰু ব্যয় জৰুৰী অৱস্থাৰ বাহিৰে পৰিৱৰ্তন কৰা নহয় এই পৰিকল্পনাৰ বাজেট ব্যয় চূড়ান্ত কৰোতে ভৌতিক লক্ষ্য সমূহ মনত ৰখা উচিত।

স্থিৰ পৰিকল্পনাৰ ত্ৰুটি সমূহ ঃ

- উপলব্ধ সম্পদ আৰু পৰিকল্পনাৰ লক্ষ্যৰ মাজত সামঞ্জস্যৰ অভাৱ দেখা যায়। ইয়াৰ মুখ্য উদ্দেশ্য হ'ল অৰ্থনীতিৰ ওপৰত ইয়াৰ কু-প্ৰভাৱ নিৰ্বিশেষে বৈদেশিক

সাহায্য, অত্যধিক কৰ, বৃহৎ ঋণ, আদিৰ জৰিয়তে বিত্তীয় লক্ষ্য পূৰণ কৰা।

- এই পৰিকল্পনা ব্যৱস্থাই বিশ্ব অৰ্থনীতিৰ ভবিষ্যত পৰিৱৰ্তন বা অন্যান্য প্ৰাকৃতিক দুৰ্যোগৰ কথা বিবেচনা নকৰে।
- দীৰ্ঘম্যাদী প্ৰকল্পৰ ৰূপায়নৰ বাবে এই পৰিকল্পনা উপযুক্ত নহয়।

➢ **কেন্দ্ৰীভূত পৰিকল্পনা** (Centralised planning) ঃ কেন্দ্ৰীভূত পৰিকল্পনাৰ অধীনত দেশৰ সকলোবোৰ অৰ্থনৈতিক কাৰ্যাৱলীৰ পৰিকল্পনা এক কেন্দ্ৰীয় কৰ্তৃপক্ষৰ দ্বাৰা প্ৰস্তুত কৰা হয়। এই কৰ্তৃপক্ষই সকলো উদ্যোগৰ বাবে লক্ষ্য আৰু অগ্ৰাধিকাৰ নিৰ্ধাৰণ কৰে। ই পৰিকল্পনাৰ লক্ষ্য আৰু উদ্দেশ্য অনুসৰি সকলোবোৰ বিনিয়োগ সিদ্ধান্ত গ্ৰহণ কৰে। কেন্দ্ৰীয় কৰ্তৃপক্ষই সকলো সামগ্ৰীৰ দৰ নিৰ্ধাৰণ কৰে।

কেন্দ্ৰীভূত পৰিকল্পনাৰ ত্ৰুটি সমূহ ঃ

- কেন্দ্ৰীভূত পৰিকল্পনা কৰ্তৃত্বমূলক আৰু অগণতান্ত্ৰিক। ইয়াত আমোলাতান্ত্ৰিক নিয়ন্ত্ৰণ আৰু আৰোপ অধিক।

➢ **বিকেন্দ্ৰীভূত পৰিকল্পনা** (Recentralised planning)ঃ বিকেন্দ্ৰীভূত পৰিকল্পনাত পৰিকল্পনা সমূহ তৃণমূল পৰ্যায়ত ৰূপায়ন কৰা হয়। এই ধৰণৰ পৰিকল্পনাত দেশৰ ৰাজ্যিক তথা জিলা পৰ্যায়ৰ প্ৰশাসনিক গোটৰ লগত আলোচনা কৰি কেন্দ্ৰীয় কৰ্তপক্ষই পৰিকল্পনা প্ৰস্তুত কৰে। একেদৰে, সকলোবোৰ উদ্যোগৰ প্ৰধান অংশীদাৰৰ প্ৰতিনিধিৰ লগত আলোচনা কৰি উদ্যোগৰ পৰিকল্পনা প্ৰস্তুত কৰা হয়। কিন্তু ব্যক্তিগত প্ৰতিষ্ঠান সমূহ তেওঁলোকৰ বিনিয়োগ আৰু উৎপাদিত সামগ্ৰীৰ দৰ নিৰ্ধাৰণৰ ক্ষেত্ৰত স্বাধীন। বিকেন্দ্ৰীভূত পৰিকল্পনাত উৎপাদন আৰু উপভোগৰ স্বাধীনতা থাকে।

বিকেন্দ্ৰীভূত পৰিকল্পনাৰ ত্ৰুটি সমূহ ঃ

- বজাৰ ব্যৱস্থাৰ ওপৰত ইয়াৰ নিৰ্ভৰশীলতাই উৎপাদিত দ্ৰব্য আৰু সেৱাৰ নাটনি আৰু ৰাহিৰ সৃষ্টি কৰে।
- যোগানৰ সমস্যা সমাধানৰ বাবে ইয়াত চৰকাৰৰ ফালৰ পৰা যথেষ্ট সমাযোজনাৰ প্ৰয়োজন হয়।
- কেতিয়াবা পৰিকল্পিত আৰু অ-পৰিকল্পিত খণ্ডৰ মাজত সামঞ্জস্য স্থাপনতো সমস্যাৰ সৃষ্টি হয়।

১০.৪ ভাৰতত অৰ্থনৈতিক পৰিকল্পনা

প্ৰথম পৰিকল্পনা আৰম্ভ কৰাৰো বহু আগৰে পৰাই অৰ্থনৈতিক পৰিকল্পনা ভাৰতৰ ৰাজনৈতিক এক অংশ আছিল। M.Visheshvraya এ লিখা *Planned Economy for India* নামৰ গ্ৰন্থ অৰ্থনৈতিক পৰিকল্পনাৰ দিশত এক সুন্দৰ তাত্ত্বিক নিদৰ্শন। এই গ্ৰন্থত তেওঁ নিজেই ভাৰতৰ বাবে ১০ বছৰীয়া পৰিকল্পনাৰ পৰামৰ্শ আগবঢ়াইছিল। তেওঁ পৰিকল্পনাৰ অধীনত দেশৰ

আয় ১০ বছৰৰ ভিতৰত দুগুণ হোৱাৰ প্ৰস্তাৱ আগবঢ়াইছিল। ভাৰতীয় পৰিকল্পনাৰ অৰ্থনৈতিক ইতিহাস তলত দিয়া ধৰণে উপভাগত ভগাব পাৰি—

- ১৯৪৭ ৰ পৰা ১৯৫০ ৰ মধ্য ভাগলৈকে — উন্নয়নৰ বাবে পৰিকল্পনাৰ প্ৰস্তুতি পৰ্ব
- ১৯৫০ ৰ মধ্যভাগৰ পৰা ১৯৬০ ৰ মধ্যভাগলৈকে — পৰিকল্পনাৰ দ্ৰুত উদ্যোগীকৰণ পৰ্ব
- ১৯৬০ ৰ শেষভাগৰপৰা ১৯৭০ লৈকে — কৃষি কেন্দ্ৰিক পৰিকল্পনাৰ স্তৰ
- ১৯৮০ ৰ পৰা ১৯৯০ লৈকে — পৰিকল্পনাত উদাৰীকৰণৰ সূচনা
- ১৯৯১ ৰপৰা বৰ্তমানলৈকে — উন্নয়নত উদাৰীকৰণ

প্ৰথম স্তৰত প্ৰধান বিষয় আছিল পৰিকল্পিত উন্নয়নৰ বাবে এক বিস্তৃত কাৰ্যপন্থা। ঔদ্যোগিক নীতি ১৯৫৬ এ ভাৰতীয় অৰ্থনীতিত ৰাজহুৱা খণ্ডক বিশেষ গুৰুত্ব দি নেহেৰুৰ সমাজবাদী প্ৰকৃতিৰ সমাজৰ পৰিকল্পনা কৰা হৈছিল। তৃতীয় পৰিকল্পনাৰ পৰা কেন্দ্ৰীয় বিষয় কৃষি খণ্ডলৈ স্থানান্তৰিত হৈছিল। পিছলৈ সেউজ বিপ্লৱ, মুক্ত বাণিজ্য আৰু অৰ্থনৈতিক সংস্কাৰলৈ ই পৰিৱৰ্তিত হৈছিল।

১০.৪.১ পৰিকল্পনা আয়োগ

১৯৫০ চনৰ ১৫ মাৰ্চত ভাৰতৰ চৰকাৰৰ এক স্বয়ং চালিত প্ৰতিষ্ঠান হিচাপে পৰিকল্পনা আয়োগে প্ৰতিষ্ঠা কৰা হৈছিল। ই চৰকাৰৰ পৰিকল্পনা প্ৰক্ৰিয়াত সহায় কৰে আৰু এক পৰামৰ্শদাতা প্ৰতিষ্ঠান হিচাপে কাম কৰে। পণ্ডিত জৱাহৰলাল নেহৰু পৰিকল্পনা আয়োগৰ প্ৰথম অধ্যক্ষ আছিল। ভাৰতৰ প্ৰধানমন্ত্ৰী পৰিকল্পনা আয়োগৰ পদেন অধ্যক্ষ। ইয়াৰ সদস্য আৰু উপাধ্যক্ষৰ কোনো নিৰ্দ্দিষ্ট কাৰ্যকাল নাই। এই আয়োগে ৪ গৰাকী সদস্যৰ দ্বাৰা গঠিত।

কাৰ্য্যৱলীঃ পৰিকল্পনা আয়োগৰ প্ৰধান কাৰ্য্যাৱলী তলত দিয়া ধৰণৰ-

- ই অৰ্থনীতিৰ ভৌতিক, মানৱ আৰু মূলধন সম্পদ সমূহৰ নিৰ্ধাৰণ আৰু স্বীকৃতি প্ৰদানত সহায় কৰে আৰু সম্পদ বৃদ্ধিৰ সম্ভাৱনীয়তা অনুসন্ধান কৰে।
- ই দেশৰ সুষম আৰু দ্ৰুত অৰ্থনৈতিক উন্নয়নৰ বাবে পৰিকল্পনা প্ৰস্তুত কৰে।
- দেশৰ আটাইতকৈ প্ৰয়োজনীয় আৰু দুৰ্বল খণ্ডলৈ সম্পদ আৱণ্টনৰ ক্ষেত্ৰত চৰকাৰক সহায় কৰে।
- বিভিন্ন স্তৰত পৰিকল্পনাৰ মূল্যায়ন কৰে আৰু সেই মতে পৰিকল্পনা অগ্ৰাধিকাৰ নিৰ্ধাৰণ কৰে।
- প্ৰয়োজন সাপেক্ষে ই কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰক বিভিন্ন গুৰুত্বপূৰ্ণ বিষয়ত পৰামৰ্শ দান কৰে।
- ই দেশৰ উন্নয়নৰ প্ৰক্ৰিয়া মন্থৰ কৰাৰ কাৰক সমূহ আঙুলিয়াই দিয়ে
- প্ৰয়োজন সাপেক্ষে ই অতিৰিক্ত পৰামৰ্শৱলী আগবঢ়ায় পৰিকল্পনা আয়োগ আঠ

গৰাকী সদস্যৰে গঠিত, যথা

- প্ৰধান মন্ত্ৰী (অধ্যক্ষ)
- চাৰিগৰাকী পূৰ্ণকালীন সদস্য (উপাধ্যক্ষকে ধৰি)
- পৰিকল্পনা মন্ত্ৰী
- বিত্ত মন্ত্ৰী
- প্ৰতিৰক্ষা মন্ত্ৰী

কেন্দ্ৰত চৰকাৰ পৰিৱৰ্তনৰ লগে লগে এখন নতুন পৰিকল্পনা আয়োগ গঠন হয়।

১০.৪.২ NITI আয়োগ

কেন্দ্ৰীয় চৰকাৰে পৰিকল্পনা আয়োগৰ সলনি ২০১৫ ৰ ১ জানুৱাৰীত NITI (National Institution for Transforming India) গঠন কৰিছিল। প্ৰধান মন্ত্ৰী ইয়াৰ পদেন অধ্যক্ষ হিচাপে কাম কৰে। ইয়াৰ পৰিচালনা পৰিষদ সকলো ৰাজ্যৰ মুখ্যমন্ত্ৰী সকল, দিল্লী আৰু পণ্ডিচেৰীৰ মুখ্যমন্ত্ৰী, আন্দামান আৰু নিকোবৰৰ লেফটেনেণ্ট গৱৰ্ণৰ আৰু প্ৰধান মন্ত্ৰীৰ দ্বাৰা মনোনীত উপাধ্যক্ষৰ দ্বাৰা গঠিত। ইয়াৰ পূৰ্ণকালীন সদস্য সকলৰ উপৰিও দুগৰাকী অংশকালীন সদস্য তথা চাৰিগৰাকী পদেন সদস্য আৰু এজন মুখ্য কাৰ্যবাহী বিষয়া থাকে। সাময়িক সদস্যসকলক আগশাৰীৰ বিশ্ববিদ্যালয় আৰু গৱেষণা প্ৰতিষ্ঠানৰ পৰা নিৰ্বাচিত কৰা হয়। NITI আয়োগ সৃষ্টিৰ লক্ষ্য হ'ল অৰ্থনৈতিক নীতি নিৰ্ধাৰণ প্ৰক্ৰিয়াত ভাৰতৰ ৰাজ্য চৰকাৰ সমূহক জড়িত কৰোৱা তথা অংশ গ্ৰহণ বৃদ্ধি কৰা। দেশক সহযোগিতামূলক যুক্তৰাষ্ট্ৰলৈ উন্নীত কৰাৰ হকে নিম্ন পৰ্য্যায়ৰ পৰা উচ্চ পৰ্য্যায়লৈ আদৰ্শত জোৰ দিয়া। নীতি আয়োগৰ কাৰ্য্যৱলী সমূহ পৰিকল্পনা আয়োগৰ কাৰ্যাৱলীৰ সৈতে প্ৰায় একে। কিন্তু ইয়াৰ লগত আন কেতবোৰ পৰিপূৰক কাৰ্যও আছে। যেনেঃ—

- গাঁও পৰ্যায়ত খাপ খাব পৰা পৰিকল্পনা প্ৰস্তুত কৰাৰ ব্যৱস্থা বিকাশ কৰা আৰু ক্ৰমান্বয়ে ওপৰৰ স্তৰত এইবোৰ একত্ৰিত কৰা।
- অৰ্থনৈতিক কৌশল আৰু নীতি ৰাষ্ট্ৰীয় নিৰাপত্তা অন্তৰ্ভুক্ত কৰাটো নিশ্চিত কৰা।
- ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ বৌদ্ধিক সত্তাৰ তথা শিক্ষা আৰু নীতিৰ গৱেষণা প্ৰতিষ্ঠান সমূহৰ অংশ গ্ৰহণ, পৰামৰ্শ প্ৰদান আৰু অংশদাৰিত্বক উৎসাহ যোগোৱা।
- ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় বিশেষজ্ঞ সকল আৰু অন্যান্য বিশেষ ব্যক্তি সকলৰ সমন্বিত সহযোগৰ জৰিয়তে জ্ঞান, উদ্ভাৱন আৰু উদ্যমিতা সমৰ্থন ব্যৱস্থাৰ সৃষ্টি কৰা।
- উন্নয়নৰ আঁচনি কাৰ্য্যকৰীকৰণ তৰান্বিত কৰাৰ উদ্দেশ্য আন্তঃখণ্ড আৰু আন্তঃবিভাগীয় সমস্যা সমূহ সমাধানৰ বাবে এখন মঞ্চ প্ৰদান কৰা।
- এক অত্যাধুনিক সম্পদ কেন্দ্ৰ ব্যৱস্থাপনা কৰা, সু-প্ৰশাসনৰ ওপৰত গৱেষণাৰ এক তথ্য ভাণ্ডাৰ প্ৰস্তুত কৰা আৰু উপযুক্ত তথা সম বিকাশৰ বাবে শ্ৰেষ্ঠতম

কার্যপন্থা অৱলম্বন কৰা।

১০.৪.৩ ৰাষ্ট্ৰীয় উন্নয়ন পৰিষদ

ভাৰতৰ অর্থনৈতিক পৰিকল্পনাৰ সর্বোচ্চ ৰাষ্ট্ৰীয় মঞ্চ হিচাপে ৰাষ্ট্ৰীয় উন্নয়ন পৰিষদ (National Development Council: NDC) এ ১৯৫২ৰ ৬ আগষ্টৰ পৰাই কাম কৰি আহিছে। পৰিকল্পনাৰ লগত জড়িত সকলোবোৰ গুৰুত্বপূর্ণ সিদ্ধান্ত চূড়ান্তভাৱে অনুমোদন জনাবলৈ কেন্দ্ৰীয় আৰু ৰাজ্য উভয় চৰকাৰৰে প্ৰতিনিধি বর্গ NDC ৰ মজিয়াত একত্ৰিত হয়। খচৰা পৰিকল্পনা অনুমোদন ৰ দায়িত্ব NDC ৰ হাতত থাকে। বিভিন্ন ৰাজ্যৰ মাজত কেন্দ্ৰীয় পুঁজি আৱণ্টনৰ সম্পর্কত চূড়ান্ত সিদ্ধান্তও NDC য়ে গ্ৰহণ কৰে।

১০.৫ অর্থনৈতিক পৰিকল্পনাৰ সামগ্ৰিক উদ্দেশ্যাৱলী

১৯৫১-৫২ ত ভাৰতত প্ৰথম পঞ্চবার্ষিক পৰিকল্পনা আৰম্ভ হৈছিল। প্ৰথম পৰিকল্পনাই দ্বিতীয় বিশ্ব যুদ্ধ আৰু দেশ বিভাজনৰ দ্বাৰা হোৱা ভাৰসাম্যহীনতা দূৰ কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰিছিল। লগতে, খাদ্য শস্য উৎপাদনত স্বাৱলম্বিতা অর্জনৰ ওপৰত তথা কেঁচা সামগ্ৰীৰ উপলব্ধতাৰ উন্নয়নৰ ওপৰত গুৰুত্ব আৰোপ কৰিছিল। অধিক নিয়োগ সৃষ্টি, আয় বিতৰণৰ অসমতা হ্ৰাস কৰাৰ উদ্দেশ্যে দ্বিতীয় পঞ্চবার্ষিক পৰিকল্পনাত দ্ৰুত উদ্যোগিক উন্নয়ন, বিশেষকৈ, মৌলিক আৰু গুৰু উদ্যোগৰ বিকাশত গুৰুত্ব দিয়া হৈছিল। এইদৰে, পৰিকল্পনা সমূহে কৃষি উন্নয়ন, সামাজিক খণ্ডত বিনিয়োগ বৃদ্ধি আদিৰ ওপৰত জোৰ দিছিল।

যদিও এই পৰিকল্পনা সমূহৰ উদ্দেশ্যাৱলী বেলেগ বেলেগ, তথাপি ভাৰতীয় পৰিকল্পনাৰ কেতবোৰ মৌলিক, দীর্ঘম্যাদী আৰু বহল উদ্দেশ্য আমি চিনাক্ত কৰিব পাৰোঁ। সেইবোৰ হ'ল—

- **উন্নয়নৰ হাৰ বৃদ্ধি কৰা** — কৃষি, উদ্যোগ আহৰণ কৰাটো শক্তি, পৰিবহন আৰু যোগাযোগ আৰু অর্থনীতিৰ অন্যান্য খণ্ডৰ উন্নয়নৰ জৰিয়তে দ্ৰুত অর্থনৈতিক বিকাশ অনাটো আছিল ভাৰতীয় পৰিকল্পনাৰ লক্ষ্য। তদুপৰি, জনমুৰি প্ৰকৃত আয় বৃদ্ধিৰ ভিত্তি হিচাপে প্ৰকৃত ৰাষ্ট্ৰীয় আয় বৃদ্ধি বিবেচনা কৰা হৈছিল আৰু গৰিষ্ঠ সংখ্যক লোকৰ বাবে জীৱন ধাৰণৰ বৈষয়িক মানদণ্ডৰ উন্নয়নো ইয়াৰ লক্ষ্য আছিল। জনসংখ্যাৰ বৃদ্ধিতকৈ ৰাষ্ট্ৰীয় উৎপাদন বৃদ্ধি জনমূৰি উৎপাদন বৃদ্ধিৰ বাবে আৱশ্যক। ভাৰতীয় পৰিকল্পনাকাৰী সকলে ৰাষ্ট্ৰীয় আয় আৰু জনমুৰি আয় বৃদ্ধিৰ লক্ষ্য নির্ধাৰণ কৰিছিল, যাতে ৰাষ্ট্ৰীয় আয় আৰু জনমুৰি আয়ৰ ধাৰাবাহিক বৃদ্ধিয়ে দৰিদ্ৰতা দূৰ কৰি দেশৰ গৰিষ্ঠ সংখ্যক লোকৰ জীৱন ধাৰণৰ মানদণ্ড উন্নত কৰে।
- **বিনিয়োগ আয় অনুপাত বৃদ্ধি** — ৰাষ্ট্ৰীয় আয়ৰ সমানুপাতিক ভাৰে বিনিয়োগ বৃদ্ধিও ভাৰতীয় পঞ্চবার্ষিক পৰিকল্পনা সমূহৰ এটা গুৰুত্বপূর্ণ দীর্ঘম্যাদী লক্ষ্য আছিল।
- **স্ব-নির্ভৰশীলতা আহৰণ** — বিশ্বৰ আগশাৰীৰ পুঁজিবাদী শক্তি সমূহৰ ৰাজনৈতিক হেঁচাৰ

পৰা মুক্ত অর্থনৈতিক উন্নয়ন ভাৰতীয় পঞ্চবার্ষিক পৰিকল্পনাৰ এক উদ্দেশ্য হিচাপে বিবেচনা কৰা হৈছিল। এক উল্লেখনীয় সময়ৰ বাবে ভাৰতে বৃহৎ পৰিমাণৰ খাদ্য শস্য বাহিৰৰ পৰা আমদানি কৰিব লগা হৈছিল। আকৌ গুৰু যন্ত্রপাতি, আহিলা, হার্ডৱেৰ, পৰিবহন, সা-সৰঞ্জাম,বৈদ্যুতিক যন্ত্র-পাতি ইত্যাদিৰ আমদানিৰ বাবে বিদেশী ৰাষ্ট্রৰ ওপৰত নির্ভৰ কৰিব লগা হৈছিল। ঔদ্যোগিক খণ্ডৰ সম্প্রসাৰণ আৰু নির্মাণ আৰু স্বাধীনতাৰ পিছত আন্তঃগাঁথনিৰ নির্মাণৰ বাবে ইয়াৰ প্রয়োজন হৈছিল। সেইবাবে, ভাৰতলৈ খাদ্য শস্য, যন্ত্রপাতি আৰু মূলধন যোগান ধৰা উন্নত পুঁজিবাদী দেশ সমূহে বিভিন্ন চর্ত আৰোপ কৰি পূর্ণ সুবিধা আদায় কৰাটো অধিক স্বাভাৰিক আছিল। বহুক্ষেত্রত এনে পৰিস্থিতিত গণতান্ত্রিক অর্থনৈতিক নীতিও প্রভাৱিত হৈছিল। এইবোৰ কাৰণতেই ভাৰতৰ অর্থনৈতিক পৰিকল্পনাৰ এক মুখ্য উদ্দেশ্য হিচাপে অর্থনৈতিক আত্মনির্ভৰশীলতা বিবেচনা কৰা হৈছিল। বিশেষকৈ, তৃতীয় পঞ্চবার্ষিক পৰিকল্পনাৰ আৰম্ভণিৰ পৰা ইয়াৰ ওপৰত জোৰ দিয়া হৈছিল।

- **নিবনুৱা সমস্যা আৰু দৰিদ্রতাৰ বোজা হ্রাস কৰা** — নিবনুৱা সমস্যা দূৰীকৰণ দৰিদ্রতা নির্মূলৰ এক পূর্ব চর্ত হিচাপে বিবেচনা কৰিব পাৰি। পৰিকল্পনা আয়োগে ধাৰণা কৰিছিল যে বিনিয়োগ বৃদ্ধিয়ে ৰাষ্ট্রীয় আয় বৃদ্ধিৰ লগে লগে নিয়োগৰ সুবিধাও বৃদ্ধি কৰিব। তৃতীয় পৰিকল্পনাত পৰিকল্পনা আয়োগে বিশেষভাৱে এই যুক্তি আগবঢ়াইছিল যে নিবনুৱা সমস্যা দূৰীকৰণে এফালে GDP বৃদ্ধি কৰিব আৰু আনফালে ইয়াৰ ফলস্বৰূপে জনসাধাৰণৰ জীৱন ধাৰণৰ মানদণ্ড উন্নত হ'ব।

  পৰিকল্পনাৰ বিভিন্ন তথ্য আৰু আঁচনিয়ে এইটো প্রতীয়মান কৰে যে ভাৰত চৰকাৰৰ নীতি হ'ল দৰিদ্রতাৰ বোজা হ্রাস কৰা। বৃহৎ সংখ্যক জনসাধাৰণৰ নিম্ন উৎপাদনশীলতাতেই দৰিদ্রতাৰ সমস্যা লুকাই আছে। সেয়েহে, দৰিদ্র জনসাধাৰণৰ এই সমস্যাবোৰ দূৰ কৰিবলৈ আৰু তেওঁলোকক উন্নয়নৰ প্রক্রিয়াত সংযুক্ত কৰিবলৈ দৰিদ্রতা দূৰীকৰণ ভাৰতীয় পৰিকল্পনাৰ এক উদ্দেশ্য হিচাপে বিবেচিত হৈছিল।

- **আয়ৰ অসমতা হ্রাস আৰু সামাজিক ন্যায় আহৰণ** — ভাৰতীয় পৰিকল্পনাকাৰী সকলে বুজিছিল যে সমাজবাদী আর্হিৰ সমাজ গঠন সমাজৰ সকলো সদস্যৰ বাবে শিক্ষা, স্বাস্থ্য, পুষ্টি, বৃত্তি ইত্যাদি ক্ষেত্রত সমান সুবিধা নিশ্চিত কৰিব। সেয়ে তেওঁলোকে সমাজত আয় আৰু সম্পদৰ অসমতা হ্রাস কৰাৰ প্রয়োজনীয়তা অনুভৱ কৰিছিল। এই অসমতা সমূহৰ ঘাই শিপা আছিল সামন্ত প্রথা। সেয়েহে আয় আৰু সম্পদৰ অসমতা দূৰ কৰাৰ বাবে ভাৰতীয় গাওঁ সমূহৰ পৰা উৎপাদনৰ সামন্ত প্রথা দূৰ কৰাৰ প্রয়োজনীয়তা আছিল। এইদৰে, জমিনদাৰী প্রথা বিলোপ, ভূমিৰ উচ্চতম সীমা নির্ধাৰণ আৰু গ্রাম্য ভূমিহীন সকলৰ মাজত ৰাহি ভূমি বিতৰণ আদি উদ্দেশ্য আছিল।

  ঔদ্যোগীকৰণ আৰু উন্নয়নৰ বাবে উদ্ভৱ হোৱা আয় আৰু সম্পদৰ অসমতা আছিল আৰু জটিল। এই সমস্যাৰ সমাধানৰ বাবে পৰিকল্পনা আয়োগে উচ্চ আয়ৰ ওপৰত অধিক হাৰৰ প্রত্যক্ষ কৰ আৰোপৰ দৰে কিছুমান প্রতিৰোধ আৰু ৰাজস্ব ব্যৱস্থাৰ প্রয়োজনীয়তাৰ

অনুভৱ কৰিছিল। পৰিকল্পনা আয়োগে চতুর্থ পঞ্চবার্ষিক পৰিকল্পনাত আয়ৰ অসমতা দূৰীকৰণ নীতি উল্লেখ কৰিছিল। ই অর্থনৈতিক উন্নয়নত গুৰুত্ব দিছিল যাতে ইয়াৰ পৰা দৰিদ্রসকল উপকৃত হয় আৰু এনেদৰে আয়ৰ অসমতা হ্রাস পায়।

- **বিভিন্ন খণ্ডৰ আধুনিকীকৰণ** — ষষ্ঠ পঞ্চবার্ষিক পৰিকল্পনাত উৎপাদন প্রক্রিয়া আধুনিকীকৰণৰ আন এক উদ্দেশ্য অন্তর্ভুক্ত কৰিছিল। এই আধুনিকীকৰণৰ প্রাসংগিকতা আছিল ৰাষ্ট্রীয় আয়লৈ বিভিন্ন খণ্ডৰ তুলনামূলক অৱদানৰ পৰিবর্তন, উৎপাদনশীল কার্য্যাৱলীৰ বৈচিত্র্যকৰণ আৰু প্রযুক্তি কৌশলৰ অগ্রগতিৰ।

  পৰিকল্পনা আয়োগৰ মতে, আধুনিকীকৰণ বুলিলে উদ্যোগ আৰু কৃষি কার্য উভয় ক্ষেত্রতে আধুনিক প্রযুক্তি কৌশলৰ প্রয়োগ বুজা যায়। ই নতুন ধৰণৰ বেংক সেৱা, বীমা আৰু বজাৰ প্রতিষ্ঠান আদিকো বুজায় যিয়ে উন্নয়ন প্রক্রিয়াৰ গতিশীলতাক সহায় কৰে।

- **অর্থনীতিৰ অসমতা দূৰ কৰা** — আঞ্চলিক বৈষম্য আৰু অসমতা সমূহ ভাৰতত ইমানেই তীব্র আছিল যে এইবোৰক পঞ্চবার্ষিক পৰিকল্পনা সমূহত বিশেষ গুৰুত্ব দিয়াৰ প্রয়োজন আহি পৰিছিল।

  দ্বিতীয়, তৃতীয়, চতুর্থ আৰু পঞ্চম পঞ্চবার্ষিক পৰিকল্পনা সমূহতো এই লক্ষ্যত উপনীত হ'বলৈ চেষ্টা কৰা হৈছিল আৰু পিছলৈ অন্যান্য পৰিকল্পনা সমূহতো ইয়াৰ ওপৰত জোৰ দিয়া হৈছিল। প্রকৃততে, প্রতিখন পৰিকল্পনাতেই দেশৰ কম উন্নত অঞ্চললৈ বিশেষ আঁচনি ঘোষণা কৰা হয়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন ১ ঃ দ্বাদশ পঞ্চবার্ষিক পৰিকল্পনাৰ সময় কি?

ক) ২০০৭-২০১২ খ) ১৯৯৭-২০০২

গ) ২০০২-২০০৭ ঘ) ২০১২-২০১৭

প্রশ্ন ২ ঃ ৰাষ্ট্রীয় উন্নয়ন পৰিষদ গঠিত

ক) পৰিকল্পনা আয়োগৰ সদস্যসকল খ) ৰাজ্যসমূহৰ ৰাজ্যপাল সকল

খ) ৰাজ্যসমূহৰ ৰাজ্যপাল সকল গ) ৰাজ্য সমূহৰ মুখ্যমন্ত্রীসকল

ঘ) (ক) আৰু (গ)

প্রশ্ন ৩ ঃ ভাৰতৰ প্রথম পঞ্চবার্ষিক পৰিকল্পনাৰ প্রাথমিক লক্ষ্য কি আছিল?

ক) উদ্যোদিক উন্নয়ন খ) আন্তঃগাথমি উন্নয়ন গ) গ্রামাঞ্চলৰ উন্নয়ন

প্রশ্ন ৪ ঃ পৰিকল্পনা আয়োগ গঠন হৈছিল ..... হিচাপে.....ত

ক) স্বতন্ত্র প্রতিষ্ঠান হিচাপে ১৯৫০ৰ ১৫ মার্চত

খ) সাংবিধানিক প্রতিষ্ঠান হিচাপে ১৯৫০ৰ ১৫ মার্চত

গ) অ-ন্যায়িক প্রতিষ্ঠান হিচাপে ১৯৫১ৰ ১৫ মার্চত

ঘ) ন্যায়িক প্রতিষ্ঠান হিচাপে ১৯৫১ৰ ১৫ মার্চত

প্ৰশ্ন ৫ ঃ কোন প্ৰকাৰৰ পৰিকল্পনা সুদীৰ্ঘ সময়ৰ বিকাশৰ এক খচৰা ?

ক) কেন্দ্ৰীভূত পৰিকল্পনা খ) বিকেন্দ্ৰীভূত পৰিকল্পনা

গ) বাৰ্ষিক পৰিকল্পনা ঘ) দূৰদৰ্শী পৰিকল্পনা

প্ৰশ্ন ৬ ঃ গঠনৰ নিম্নতম অনমনীয়তাৰ বাবে তলৰ কোনবিধ পৰিকল্পনাক কোমল পৰিকল্পনা বুলিও কোৱা হয় ?

ক) পৰামৰ্শ পৰিকল্পনা খ) দূৰদৰ্শী পৰিকল্পনা

গ) ভৌতিক পৰিকল্পনা ঘ) বিত্তীয় পৰিকল্পনা

প্ৰশ্ন ৭ ঃ কোনখন পৰিকল্পনা তৃণমূল পৰ্যায়ত ৰূপায়ণ কৰা হয় ?

ক) দীৰ্ঘম্যাদী পৰিকল্পনা খ) স্থিৰ পৰিকল্পনা

গ) কেন্দ্ৰীভূত পৰিকল্পনা ঘ) বিকেন্দ্ৰীভূত পৰিকল্পনা

১০.৬ ভাৰতৰ পৰিকল্পনাৰ এক ৰূপৰেখাঃ সফলতা আৰু বিফলতা সমূহ

ভাৰতৰ ৭০ বছৰীয়া পৰিকল্পনাৰ অভিজ্ঞতাই অৰ্থনীতিৰ বিভিন্ন খণ্ডত সফলতা আৰু বিফলতা স্বাক্ষৰ বহন কৰিছে। মূলত ঃ পৰিকল্পনাৰ অভিজ্ঞতা এক মিশ্ৰিত অংশীদাৰ হিচাপে পৰিগণিত হৈছে। ভাৰতীয় পৰিকল্পনাৰ প্ৰধান সফলতা আৰু বিফলতা সমূহ তলত দিয়া ধৰণৰ—

সফলতা সমূহ-

- ১৯৫০-৫১ ত ৫০ নিযুত টনৰ পৰা ১৯৯৯-২০০০ ত ২০৮.৯ নিযুত টনলৈ আৰু ২০১৬-১৭ চনত ২৭২ নিযুত টনলৈ খাদ্যশস্যৰ উৎপাদন বৃদ্ধি।
- পৰিকল্পনাৰ সময়ত ভাৰতে এক যুক্তিসংগত স্থিৰতা সফলতাৰে বজাই ৰাখিছে আৰু বাৰ্ষিক মুদ্ৰাস্ফীতিৰ হাৰ প্ৰায় ৪% ৰ আশে পাশে বজাই ৰাখিছে।
- দেশৰ পিচপৰা অঞ্চলত ৰাজহুৱা উদ্যোগৰ স্থাপনৰ জৰিয়তে এই অঞ্চল সমূহত আন্তঃগাঁথনি উন্নয়ন, নিয়োগৰ সুবিধা, সৃষ্টি আৰু আনুসংগিক উদ্যোগৰ উন্নয়নত সহায় কৰিছে।
- গ্ৰাম্য উন্নয়ন আৰু গ্ৰাম্য নিয়োগ আঁচনিৰ সহায়ত ভাৰতীয় পৰিকল্পনাই দৰিদ্ৰতা আৰু অসমতা দূৰ কৰাৰ চেষ্টা কৰিছিল।
- পৰিকল্পনাৰ বছৰ সমূহত ৰাষ্ট্ৰীয় আয়ৰ গঠন ক্ৰমান্বয়ে পৰিবৰ্তিত হৈছে। (GDP) ত কৃষি আৰু আনুসংগিক কাৰ্য্যৱলীৰ অংশ হ্ৰাস পোৱাৰ বিপৰীতে তৃতীয় (সেৱা) খণ্ডৰ অংশ বৃদ্ধি পাইছে।

বিফলতা সমূহ-

- সফলতা স্বত্বেও বিভিন্ন ক্ষেত্ৰত অৰ্থনৈতিক পৰিকল্পনাই পাৰদৰ্শিতা দেখুৱাব পৰা নাই। যেনে — গ্ৰাম্য তথা নগৰ অঞ্চলত এতিয়াও বৃহৎ সংখ্যক নিবনুৱা আছে।
- পৰিকল্পনাৰ উপকাৰিতা সমূহ ইয়াৰ উন্নয়নৰ ফলাফল সমূহে সমাজৰ আটাইতকৈ দুখীয়া শ্ৰেণীটো স্পৰ্শ কৰিব পৰা নাই।
- নগৰ অঞ্চলত ক'লা টকাৰ বৃদ্ধিয়ে দুৰ্নীতিৰ সমান্তৰাল ভাৱে অপচয় মূলক ব্যয় বৃদ্ধি কৰিছে।

- বৃহৎ পৰিমাণৰ ধাৰাবাহিক বাজেট ঘাটিয়ে ভাৰতৰ আভ্যন্তৰীণ তথা বাহ্যিক ঋণ এক সংকটজনক অৱস্থালৈ পৰ্যবসিত কৰিছে।
- ইমানবোৰ নীতি আঁচনি লোৱাৰ পাছতো আঞ্চলিক বৈষম্যতা দূৰ কৰিব পৰা নাই।

১০.৬.১ ভাৰতৰ পৰিকল্পনা পদ্ধতিৰ শেহতীয়া পৰিৱৰ্তন

ভাৰতৰ সামাজিক খণ্ডৰ উন্নয়ন আৰু গধুৰ উদ্যোগ গঢ়ি তোলাত পঞ্চবাৰ্ষিক পৰিকল্পনাই বৃহৎ ভূমিকা পালন কৰিছিল। কেন্দ্ৰীভূত পৰিকল্পনা ব্যৱস্থাই নিশ্চিত কৰিব পাৰে যে ধনখিনি য'ত আটাইতকৈ প্ৰয়োজন আছিল তাতেই ব্যয় কৰা হয়। কিন্তু দীৰ্ঘদিন ধৰি এটা ধাৰণা আছিল যে কেন্দ্ৰীভূত পৰিকল্পনাৰ 'এটা আঁচনি সকলোৰে বাবে উপযুক্ত' পদ্ধতিয়ে ভাৰতৰ দৰে বৃহৎ আৰু বৈচিত্ৰ্যপূৰ্ণ ৰাষ্ট্ৰত ইয়াক ভালদৰে কাম কৰাত বাধা দিয়ে। তদুপৰি, পৰিকল্পনা আয়োগ পূৰ্বতে কেন্দ্ৰীয় চৰকাৰৰ নিয়ন্ত্ৰণত থকাৰ বাবে ইয়াক সঘনাই বিৰোধী শাসিত ৰাজ্যসমূহক পুঁজি আবণ্টনৰ ক্ষেত্ৰত শাস্তি দিয়াৰ অস্ত্ৰ হিচাপে ব্যৱহাৰ কৰা হৈছিল। কেন্দ্ৰীভূত পৰিকল্পনাৰ ওপৰৰ পৰা তললৈ পদ্ধতিৰ আঁৰৰ ধাৰমাটো আছিল যে ৰাজ্যসমূহে কিমান ধন খৰচ কৰে তাৰ ওপৰত অধিক নিয়ন্ত্ৰণ থাকিব লাগে। অনুভৱ কৰা হৈছিল যে পৰিকল্পনা আয়োগে নিজৰ নিয়মসমূহ ৰাজ্যসমূহৰ ওপৰত জোৰকৈ জাপি দিছিল, যিসকলৰ আচলতে নিজৰ বাবে কি আৰু কিমান প্ৰয়োজন সেই বিষয়ে অধিক জ্ঞান আছিল।

এইদৰে, দেখা গ'ল যে পৰিকল্পনা আয়োগে ৰাজ্যসমূহৰ কি কিমান প্ৰয়োজন সেই কথা বিবেচনা নকৰি নিজৰ সিদ্ধান্ত জাপি দিছিল।

পৰিকল্পনা আয়োগৰ ঠাইত নিটি (NITI: National Institution for Transforming India) আয়োগক নীতি নিৰ্ধাৰণ কৰা নতুন সংস্থা হিচাপে নিযুক্তি দিয়া হৈছে। "সমবায় যুক্তৰাষ্ট্ৰীয়তাবাদ (cooperative federalism)" ইয়াৰ পথ প্ৰদৰ্শক নীতি। প্ৰাথমিক পাৰ্থক্যটো হ'ল নীতি আয়োগে নগদ ধন আবণ্টন বা ৰাজ্যৰ হৈ বাছনি কৰিবলৈ অক্ষম। এই প্ৰতিষ্ঠানটো কেৱল পৰামৰ্শদাতা।

নিটি আয়োগৰ পদক্ষেপসমূহৰ ভিতৰত আছে ...

- তিনি বছৰীয়া কাৰ্য্যসূচী
- পোন্ধৰ বছৰীয়া দৃষ্টিভংগী আৰু ..
- সাত বছৰীয়া কৌশল।

পূৰ্বৰ পঞ্চবাৰ্ষিক পৰিকল্পনা আৰু নিটি আয়োগৰ তিনি বছৰীয়া কাৰ্য্যসূচীৰ মাজৰ পাৰ্থক্যঃ

নিটি আয়োগৰ তিনি বছৰীয়া কাৰ্য্যসূচীৰ নথিখনে চৰকাৰক কেৱল এক বহল উপদেশ প্ৰণালী (road map) আগবঢ়ায়। যিহেতু নথিখনত আৰ্থিক কৰ্তৃত্বৰ

অভাৱ, গতিকে ইয়াত কোনো পৰিকল্পনা বা আবম্‌টন নির্দিষ্ট কৰা হোৱা নাই। ইয়াৰ পৰামর্শ চৰকাৰৰ ওপৰত আইনগতভাৱে বাধ্যতামূলক নহয়; কাৰণ কেন্দ্রীয় মন্ত্রীসভাই ইয়াক সমর্থন কৰিব নালাগে। চৰকাৰে পৰিকল্পনা আৰু অ-পৰিকল্পনা শাখাৰ মাজত ব্যয় বিবাজন নকৰাৰ বাবে নিটি আয়োগৰ অভিলেখৰ কোনো আর্থিক তাৎপর্য নাই। তেওঁলোকে চৰকাৰক নীতিগত নির্দেশনা প্রদানকাৰী কেৱল এটা প্রতিষ্ঠান হিচাপে কাম কৰে।

১০.৭ দ্বাদশ পঞ্চবার্ষিক পৰিকল্পনা (২০১২-১৭)

একাদশ পঞ্চবার্ষিক পৰিকল্পনাৰ শেষৰ বছৰত যেতিয়া ইউৰোপীয় সমাজ দ্বিতীয় এক গোলকীয় অর্থনীতিৰ বিত্তীয় সংকটত ভুগি আছিল ঠিক তেনে সময়তে দ্বাদশ পঞ্চবার্ষিক পৰিকল্পনা আৰম্ভ হৈছিল। ভাৰতকে ধৰি প্রায় সকলোবোৰ দেশেই এই দুর্যোগত ক্ষতিগ্রস্ত হৈছিল। ভাৰতৰ উন্নয়ন ২০১১-১২ত ৬.২% লৈ হ্রাস পাইছিল আৰু দ্বাদশ পৰিকল্পনাৰ প্রথম বছৰত অর্থনীতিৰ এই মন্থৰতা কেৱল মাত্র ৫% উন্নয়নতে সীমাবদ্ধ আছিল। সেইবাবে, দ্বাদশ পৰিকল্পনাত অর্থনীতিত পুনৰ দ্রুত বহনক্ষম উন্নয়নলৈ ঘূৰাই অনাত অগ্রাধিকাৰ দিয়া হৈছিল। দ্বাদশ পৰিকল্পনাই উপনীত হ'ব খোজা লক্ষ্য সমূহ এই বাক্যংশত প্রতিফলিত হৈছিল, 'দ্রুত বহনক্ষম আৰু অধিক অন্তর্ভুক্ত উন্নয়ন (inclusive growth)। 'অন্তর্ভুক্ত উন্নয়ন আহৰণ কৰা হয়, দৰিদ্রতা হ্রাস, গোষ্ঠীয় সমতা আৰু আঞ্চলিক ভাৰসাম্য, অসমতা হ্রাস, জনাধাৰণক সৱলীকৰণ ইত্যাদিৰ জৰিয়তে। আনহাতে, বহন ক্ষমতাত পাৰিপার্শ্বিক বহনক্ষমতা নিশ্চিত কৰা, উন্নত শিক্ষা, স্বাস্থ্য, দক্ষতা বিকাশ, পুষ্টি, তথ্য প্রযুক্তি ইত্যাদি অন্তর্ভুক্ত। আৰু লগতে, প্রতিষ্ঠানিক ক্ষমতা, শক্তি, টেলি যোগাযোগ, পথ পৰিবহন ইত্যাদি আন্তঃগাঠনিৰ উন্নয়নো বহনক্ষম বিকাশ ধাৰণাটিৰ অন্তর্ভুক্ত।

গোলকীয় উন্নয়নৰ মন্থৰতাৰ বাহিৰেও ঘৰুৱা অর্থনীতিয়েও বহুতো আভ্যন্তৰীণ সীমবদ্ধতাৰ সন্মুখীন হৈছিল। ২০০৪ চনৰ পিছত গ্রহণ কৰা ৰাজস্ব সম্প্রসাৰণে অর্থনীতিতে মুদ্রাস্ফীতিৰ চাপ বৃদ্ধিৰ জৰিয়তে আভ্যন্তৰীণ সমষ্টিগত অর্থনৈতিক ভাৰসাম্যহীনতাৰ সৃষ্টি কৰিছিল। বিভিন্ন প্রকাৰৰ কার্যকৰী কৰণ সমস্যাৰ বাবে শক্তি আৰু পৰিবহন খণ্ডৰ গুৰু বিনিয়োগ প্রকল্পসমূহ মন্থৰ হৈছিল। ২০১২-১৩ ত কৰ গাঁথনিৰ কেতবোৰ পৰিবর্তনে বিনিয়োগকাৰীৰ মাজত অনিশ্চয়তাৰ সৃষ্টি কৰিছিল। এই বিষয় সমূহে বিনিয়োগ হাৰ হ্রাস আৰু অর্থনৈতিক উন্নয়নৰ গতি মন্থৰ কৰি তুলিছিল।

সেয়েহে, দ্বাদশ পৰিকল্পনাৰ নীতিৰ প্রত্যাহ্বান আছিল দুই তৰপীয়া। তাৎক্ষণিক প্রত্যাহ্বান আছিল যথাসম্ভৱ দ্রুতগতিত বিনিয়োগ পুনৰ নির্মাণ কৰি অর্থনীতিৰ উন্নয়নৰ মন্থৰতা ঘূৰাই ইয়াক ত্বৰান্বিত কৰা।

১০.৭.১ পৰিকল্পনাৰ প্রধান উদ্দেশ্যাৱলী

- তাৎক্ষণিক অগ্ৰাধিকাৰ আছিল বিনিয়োগ পৰিবেশ পুনৰ গঠন কৰা আৰু লগতে আন্তঃগাঠনি খণ্ডত প্ৰকল্প ৰূপায়ণৰ বাধা সমূহ দূৰ কৰাৰ বাবে হ্ৰস্বম্যাদী কাৰ্য ব্যৱস্থা গ্ৰহণ কৰা। বিশেষকৈ, শক্তি কেন্দ্ৰ সমূহলৈ ইন্ধন যোগানৰ সমস্যা সমাধান কৰা, বিত্তীয় সমস্যা সমাধান কৰা আৰু নতুন আবিষ্কাৰৰ ক্ষেত্ৰত স্পষ্ট নীতি গ্ৰহণৰ জৰিয়তে আন্তঃগাঁথনি নিৰ্মাণ কৰা।
- দ্বাদশ পৰিকল্পনাৰ এক অভিলাষী আঁচনি আছিল দ্ৰুত আৰু অন্তৰ্ভুক্ত উন্নয়নৰ উদ্দেশ্যৰ লক্ষত উপনীত হোৱা। সম্পদৰ সমীবদ্ধতাৰ কথা বিবেচনা কৰি পৰিকল্পনা আঁচনিৰ জৰিয়তে ৰাজহুৱা ব্যয়ৰ উন্নয়ন্ম বাবে পদক্ষেপ লোৱা।
- ৰাজস্ব সম্পদৰ প্ৰয়োজনীয়তাৰ আৰু GST ৰ দৰে কৰ সংস্কাৰৰ সূচনা কৰা, GDP ৰ শতাংশ হিচাপে ৰাজ সাহাৰ্য্য হ্ৰাস কৰা আৰু চলিত হিচাপত ঘাটি পূৰণ কৰা ইত্যাদি।
- বহনক্ষম উন্নয়ন আহৰণৰ বাবে দীৰ্ঘম্যাদী বিনিয়োগ আৰু সঞ্চয়ৰ হাৰ বৃদ্ধি।

১০.৭.২ পৰিকল্পনাৰ লক্ষ্যণীয় লক্ষ্যসমূহ

দ্বাদশ পঞ্চবাৰ্ষিক পৰিকল্পনাই ২৫ টা মৌলিক সূচক তালিকাভুক্ত কৰিছে যিয়ে দ্বাদশ পৰিকল্পনাৰ দ্ৰুত বহনক্ষম আৰু অধিক অন্তৰ্ভুক্ত উন্নয়নৰ লক্ষ্য প্ৰতিফলিত কৰিব। সেইবোৰ তলত দিয়া ধৰণৰ-

অৰ্থনৈতিক উন্নয়ন-

- ৪.০ শতাংশ প্ৰকৃত GDP উন্নয়নৰ হাৰ।
- ৪.০ শতাংশ কৃষি উন্নয়নৰ হাৰ।
- ১০.০ শতাংশ শিল্প খণ্ডৰ উৎপাদন উন্নয়নৰ হাৰ।
- প্ৰত্যেক ৰাজ্যই একাদশ পৰিকল্পনাত আহৰণ কৰাতকৈ অধিক দ্বাদশ পৰিকল্পনাত গড় উন্নয়নৰ হাৰ নিশ্চিত কৰা।

দৰিদ্ৰতা আৰু নিবনুৱা-

- দ্বাদশ পৰিকল্পনাৰ শেষৰ ফালে দৰিদ্ৰতাৰ অনুপাত ১০ শতাংশ পইণ্টলৈকে হ্ৰাস কৰা।
- অনা-কৃষি খণ্ডত ৫০ নিযুত নতুন কৰ্ম সংস্থানৰ সুবিধাৰ সৃষ্টি কৰা আৰু দ্বাদশ পৰিকল্পনাৰ ভিতৰত সম সংখ্যকক দক্ষতাৰ প্ৰমাণপত্ৰ প্ৰদান কৰা।

শিক্ষা-

- দ্বাদশ পৰিকল্পনাৰ শেষ লৈকে বিদ্যালয় ভৰ্তিৰ গড় বয়স 7 বছৰলৈ বৃদ্ধি কৰা।
- অৰ্থনীতিৰ দক্ষতাৰ প্ৰয়োজনীয়তালৈ লক্ষ্য ৰাখি উচ্চ শিক্ষা উপলব্ধতা বৃদ্ধিৰ বাবে ২ নিযুত অতিৰিক্ত আসন (seat) সৃষ্টি কৰা।
- বিদ্যালয় ভৰ্তিৰ ক্ষেত্ৰত লিংগ আৰু সামাজিক ব্যৱধান দ্বাদশ পৰিকল্পনাৰ শেষ

লৈকে দূৰ কৰা (অর্থাৎ, ল'ৰা আৰু ছোৱালীৰ মাজত, (SC) আৰু (ST) মাজত মুচলিম আৰু বাকী জনসংখ্যাৰ মাজত থকা ব্যৱধান নাইকিয়া কৰা)

স্বাস্থ্য

- প্রতি জীৱিত ১০০০ শিশুৰ ভিতৰত নৱজাতক মৃত্যু হাৰ (Intant Mortality Rate: IMR) ২৫ লৈ আৰু মাতৃ মৃত্যু হাৰ (Maternal Mortality Rate: MMR) ১ লৈকে হ্রাস কৰা আৰু দ্বাদশ পৰিকল্পনাৰ শেষলৈকে শিশুৰ লিংগ অনুপাত (০২-৬ বছৰ) ৯৫০ লৈ উন্নত কৰা।
- দ্বাদশ পৰকল্পনাৰ শেষলৈকে মুঠ গর্ভধাৰণৰ হাৰ ২.২ লৈ হ্রাস কৰা।
- দ্বাদশ পৰিকল্পনাৰ শেষলৈ ০-৩ বছৰ বয়সৰ শিশুৰ মাজত NFHS-3 পর্য্যায়ৰ আধালৈকে অপুষ্টি হ্রাস কৰা।

আন্তঃগাঁথনি (গ্রাম্য আন্তঃগাঁথনিকে ধৰি)

- দ্বাদশ পৰিকল্পনাৰ শেষলৈকে GDP শতাংশ হিচাপে আন্তঃগাঁথনিত বিনিয়োগ ৯ শতাংশলৈকে বৃদ্ধি কৰা।
- দ্বাদশ পৰিকল্পনাৰ শেষলৈকে মুঠ জলসিঞ্চনৰ এলেকা ৯০ নিযুত হেক্টৰৰ পৰা ১০৩ নিযুত হেক্টৰলৈ বৃদ্ধি কৰা।
- দ্বাদশ পৰিকল্পনাৰ শেষলৈকে সকলো গাঁৱলৈকে বিদ্যুতৰ ব্যৱস্থা কৰা আৰু ***AT & C*** লোকচান ২০ শতাংশলৈ হ্রাস কৰা।
- দ্বাদশ পৰিকল্পনাৰ শেষলৈকে সকলো গাঁৱলৈকে সকলো বতৰতে ব্যৱহাৰ কৰিব পৰা পথৰ দ্বাৰা সংযুক্ত কৰা।
- দ্বাদশ পৰিকল্পনাৰ শেষলৈকে ৰাষ্ট্রীয় আৰু ৰাজ্যিক ঘাইপথ সমূহ নিম্নতম দুইপথযুক্ত মানদণ্ডলৈ উন্নীত কৰা।
- দ্বাদশ পৰিকল্পনাৰ শেষলৈকে পূব আৰু পশ্চিম বিশেষ ৰেল মাল পৰিবহন কৰিড'ৰ নির্মাণ সম্পূর্ণ কৰা।
- দ্বাদশ পৰিকল্পনাৰ শেষলৈকে গ্রাম্য দূৰ সংযোগ ঘনত্ব ৭০ শতাংশলৈ বৃদ্ধি কৰা।
- দ্বাদশ পৰিকল্পনাৰ শেষলৈকে ৫০ শতাংশ গাঁওত প্রতি ব্যক্তিয়ে প্রতি দিনে পাইপৰ জৰিয়তে ৪০ লিটাৰ খোৱা পানী লাভ কৰাটো নিশ্চিত কৰা আৰু ৫০ শতাংশ গাঁও পঞ্চায়তে নির্মল গ্রাম্য মানদণ্ড অর্জন কৰাটো নিশ্চিত কৰা।

পৰিবেশ আৰু বহনযোগ্যতা

- দ্বাদশ পৰিকল্পনাৰ সময়ছোৱাত প্রতি বছৰে এক নিযুত হেক্টৰকৈ (উপগ্রহ চিত্রৰ দ্বাৰা জোখ লৈ) সেউজ আৱৰণ বৃদ্ধি কৰা।
- দ্বাদশ পৰিকল্পনাত ৩০০০০ নতুন MW নবীকৰণযোগ্য শক্তি ক্ষমতা যোগ কৰা।
- ২০০৫ ৰ ২০ শতাংশ লক্ষ্যৰপৰা ২০২০ ৰ ভিতৰত ২৫ শতাংশলৈ GDP ধোঁৱা নির্গমন ঘনত্ব হ্রাস কৰা।

সেৱা প্ৰদান

- দ্বাদশ পৰিকল্পনাৰ শেষলৈকে ৯০ শতাংশ ভাৰতীয় পৰিয়াল লৈকে বেংক সেৱাৰ উপলব্ধতা প্ৰদান কৰা।
- দ্বাদশ পৰিকল্পনাৰ শেষলৈকে বেংক একাউণ্ট আৰু আধাৰ সংযুক্ত কৰণৰ জৰিয়তে হিতাধীকাৰীৰ প্ৰধান ৰাজসাহায্য আৰু কল্যাণ পাওঁনা সমূহ প্ৰত্যক্ষ মুদ্ৰা হস্তান্তৰলৈ ৰূপান্তৰ কৰা।

১০.৭.৩ দ্বাদশ পঞ্চবাৰ্ষিক পৰিকল্পনাৰ অধীনত খণ্ড উন্নয়নৰ ধৰণ

৮.০ শতাংশ উন্নয়নৰ লক্ষ্যৰ লগত জড়িত খণ্ড উন্নয়নৰ ধৰণ সমূহ তলত দিয়া ধৰণৰ-

- কৃষি, বনানীকৰণ আৰু মীন পালন খণ্ডত ৪ শতাংশ বৃদ্ধি আশা কৰা হৈছিল, যাৰ হাৰ একাদশ পৰিকল্পনাত ৩.৭ শতাংশ আছিল।
- খনি আৰু কুৰৰী খণ্ড একাদশ পৰিকল্পনাত মাত্ৰ ৩.২ শতাংশ বৃদ্ধি হৈছিল। ২০১১-১২ ত ইয়াৰ উন্নয়নৰ হাৰ ০.৬ শতাংশ ঋণাত্মক আছিল আৰু এইটোৱে লোৰ আকৰ খণ্ড, গেছ আৰু কয়লা উৎপাদন খণ্ডৰ সমস্যা প্ৰতিফলিত কৰিছিল। এক সুস্থিৰ উন্নয়নৰ জৰিয়তে দ্বাদশ পৰিকল্পনাত ৫.৭ শতাংশ গড় উন্নয়নৰ হাৰ আশা কৰা হৈছিল। একাদশ পৰিকল্পনাত শিল্প খণ্ডৰ উন্নয়নো ২.৭ শতাংশলৈ মন্থৰ হৈছিল। দ্বাদশ পৰিকল্পনাৰ সময়ছোৱাত ইয়াৰ গড় উন্নয়নৰ হাৰ ৭ শতাংশ ৰ ওপৰত প্ৰক্ষেপিত কৰা হৈছিল, যিটো ২০১১-১২ আৰু ২০১২-১৩ ৰ তুলনাত এক উল্লেখযোগ্য উন্নয়ন আছিল।
- একাদশ পৰিকল্পনাৰ ৬.১ শতাংশ গড় উন্নয়নৰ তুলনাত দ্বাদশ পৰিকল্পনাত গেছ আৰু পানী যোগান ৭.৩ শতাংশ উন্নয়ন প্ৰক্ষেপিত কৰা হৈছিল।
- নিৰ্মাণ খণ্ডত একাদশ পৰিকল্পনাৰ ৭.৭ শতাংশৰ বিপৰীতে দ্বাদশ পৰিকল্পনাত গড় হিচাপত ৯.১ শতাংশ উন্নয়নৰ হাৰ প্ৰক্ষেপিত কৰা হৈছিল।
- হোটেল, ব্যৱসায় আৰু ৰেষ্টুৰেণ্ট আদি সেৱা খণ্ডৰ ৭.৪ শতাংশ বৃদ্ধি নিৰ্ধাৰণ কৰা হৈছিল।
- পৰিবহন, সংৰক্ষণ আৰু যোগাযোগ সেৱাৰ উন্নয়ন ১১.৮ শতাংশ নিৰ্ধাৰণ কৰা হৈছিল।
- বীমা আৰু ব্যৱসায় খণ্ডৰ উন্নয়ন ৯.৯ শতাংশ আৰু পৰিশেষত সামাজিক আৰু ব্যক্তিগত সেৱাৰ উন্নয়ন ৭.২ শতাংশ নিৰ্ধাৰণ কৰা হৈছিল।

১০.৭.৪ বিগত পঞ্চবার্ষিক পৰিকল্পনাৰ লক্ষ্য আৰু সফলতা সমূহ ঃ সমালোচনাত্মক মূল্যায়ন

একাদশ পৰিকল্পনাৰ সময়ছোৱাত যথেষ্ট গুৰুত্বপূর্ণ বিকাশ হৈছিল যিয়ে দ্বাদশ পৰিকল্পনাৰ বিত্ত যোগানৰ প্রাসংগিকতা আনি দিছিল। ভাৰতীয় অর্থনীতিয়েও ২০০৮ ৰ গোলকীয় বিত্তীয় সংকটৰ সন্মুখীন হৈছিল। কিন্তু মন্থৰ উন্নয়নে কেন্দ্রৰ সম্পদ আহৰণ, বিশেষকৈ কৰৰ ক্ষেত্রত বিৰূপ প্রভাৱ পেলাইছিল। ষষ্ঠ কেন্দ্রীয় দৰমহা আয়োগ কার্যকৰী কৰা হৈছিল। কেতবোৰ ৰাজস্ব দায়িত্ব আৰু বাজেট ব্যৱস্থাপনাৰ পৰিৱর্তনৰ জৰিয়তে ২০১১-১৫ত ত্রয়োদশ বিত্তীয় আয়োগ কার্যকৰী কৰা হৈছিল। ৰাজ্যসমূহৰ লগত আলোচনাৰ জৰিয়তে দ্রব্য আৰু সেৱা কৰ (GST) সূচনা কৰাৰ প্রয়াস কৰা হৈছিল। ই হ'ল পৰোক্ষ কৰ ব্যৱস্থাৰ ক্ষেত্রত এক গুৰুত্বপূর্ণ সংস্কাৰ। ২০১২-১৩ ৰ মধ্যকালীন ৰাজস্ব নীতি উল্লেখৰ ওপৰত ভিত্তি কৰি ৰাজহ ঘাটিৰ প্রক্ষেপণে দ্বাদশ পৰিকল্পনাৰ আৰম্ভণিতে মুঠ বাজেট সমর্থিত (Gross Budgetary Support: GBS) পুঁজিৰ বাবে ঋণ সম্পদ উচ্চ হ'ল, কিন্তু ই ক্রমান্বয়ে হ্রাস পাব। ২০১০-১২ (RE) ত কেন্দ্রৰ মুঠ ঋণ আছিল GDP ৰ ৫.৯ শতাংশ, যাক ২০১২-১৩ত GDPৰ ৫.১ শতাংশলৈ হ্রাস পাব বুলি নির্ধাৰিত কৰা হৈছিল। GDP ৰ শতাংশ হিচাপে ৰাজহ ঘাটি ২০১৩-১৪ত ৪.৫%, ২০১৪-১৫ত ৩.৯%, ২০১৫-১৬ত ৩.২%, আৰু দ্বাদশ পৰিকল্পনাৰ শেষ বছৰলৈকে ৰাজহ ঘাটি GDP ৰ ৩.০শতাংশৰ লৈকে হ্রাস পাব বুলি আশা কৰা হৈছিল।



১০.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- ১৯২৮ চনত প্রথমবাৰৰ বাবে ছোভিয়েট ইউনিয়নে অর্থনৈতিক পৰিকল্পনাৰ ধাৰণাটো উদ্ভাৱন কৰিছিল, যাৰ উদ্দেশ্য আছিল দেশখনক ঔদ্যোগিকভাৱে শ্রেষ্ঠতম শক্তিলৈ ৰূপান্তৰ কৰা।
- ভাৰতবর্ষত পৰিকল্পিত আৰু সুসংহত অর্থনৈতিক বিকাশৰ প্রয়োজনীয়তা আৰু গুৰুত্ব স্বাধীনতা আন্দোলনৰ সমান্তৰালভাৱে চৰকাৰী তত্বাৱধানত স্বীকৃত হৈছিল।
- নেহৰুক অধ্যক্ষ হিচাপে লৈ ১৯৫০ চনৰ মার্চ মাহত পৰিকল্পনা আয়োগ গঠন কৰা হৈছিল। ১৯৫১ চনত ভাৰতবর্ষই ভৰিষ্যতৰ বাবে পৰিকল্পনা আৰম্ভ কৰে।
- অর্থনৈতিক বিকাশ আহৰণ, নিবনুৱা দূৰীকৰণ, বজাৰ ব্যৱস্থাৰ উন্নয়ন আৰু সাৱলীকৰণ, অর্থনীতিৰ সু-প্রগতি, কৃষি আৰু উদ্যোগিক খণ্ডৰ প্রগতি, মুদ্রা আৰু মূলধন বজাৰৰ প্রগতি, আন্তঃগাঁঠনিৰ উন্নয়ন আদি হ'ল ভাৰতৰ পৰিকল্পনাৰ কেতবোৰ উদ্দেশ্যাৱলী।
- ১৯৫০ৰ ১৫ মার্চত ভাৰত চৰকাৰৰ এক স্বয়ংচালিত প্রতিষ্ঠান হিচাপে পৰিকল্পনা আয়োগ প্রতিষ্ঠা কৰা হৈছিল। ই চৰকাৰৰ পৰিকল্পনা প্রক্রিয়াত সহায় কৰে আৰু এক পৰামর্শদাতা

প্ৰতিষ্ঠান হিচাপে কাম কৰে।

- কেন্দ্ৰীয় চৰকাৰে পৰিকল্পনা আয়োগৰ সলনি ২০১৫ৰ ১জানুৱাৰীত NITI গঠন কৰিছিল। প্ৰধানমন্ত্ৰী ইয়াৰ পদেন অধ্যক্ষ হিচাপে কাম কৰে। ইয়াৰ পৰিচালনা পৰিষদ সকলো ৰাজ্যৰ মুখ্যমন্ত্ৰীসকল, দিল্লী আৰু পণ্ডিচেৰীৰ মুখ্যমন্ত্ৰী, আন্দামান আৰু নিকোবৰৰ লেফটেনেণ্ট গৱৰ্ণৰ আৰু প্ৰধানমন্ত্ৰীৰ দ্বাৰা মনোনিত উপাধ্যক্ষৰ দ্বাৰা গঠিত। ইয়াৰ পূৰ্ণকালীন সদস্যসকলৰ উপৰিও দুগৰাকী অংশকালীন সদস্য তথা চাৰিগৰাকী পদেন সদস্য আৰু এজন মুখ্য কাৰ্যবাহী বিষয়া আছে।
- ১৯৫১-৫২ ত ভাৰততে প্ৰথম পঞ্চবাৰ্ষিক পৰিকল্পনা আৰম্ভ হৈছিল। প্ৰথম পৰিকল্পনাই দ্বিতীয় বিশ্বযুদ্ধ আৰু দেশ বিভাজনৰ দ্বাৰা হোৱা ভাৰসাম্যহীনতা দূৰ কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰিছিল আৰু খাদ্য শস্য উৎপাদনত স্বাৱলম্বিতা অৰ্জনৰ ওপৰত তথা কেঁচা সামগ্ৰীৰ উপলব্ধতাৰ উন্নয়নৰ ওপৰত গুৰুত্ব আৰোপ কৰিছিল।
- একাদশ পঞ্চবাৰ্ষিক পৰিকল্পনাৰ শেষৰ বছৰত যেতিয়া ইউৰোপীয় সমাজে দ্বিতীয় এক গোলকীয় বিত্তীয় সংকটত ভুগি আছিল। ঠিক তেনে সময়তে দ্বাদশ পঞ্চবাৰ্ষিক পৰিকল্পনাৰ আৰম্ভ হৈছিল।
- সেই কাৰণে দ্বাদশ পৰিকল্পনাই ইয়াৰ প্ৰথম অগ্ৰাধিকাৰ উল্লেখ কৰিছিল যে অন্তৰ্ভুক্ত আৰু বহনক্ষম উভয়ৰ দ্বাৰা অৰ্থনীতিৰ দ্ৰুত উন্নয়নৰ পথলৈ ঘূৰাই অনা।



১০.৯ অধিক জানিবলৈ

1) Dhar, P.K. Indian Economy: Its Growing Dimension. New Delhi: Kalyani Publishers.
2) Datt, G and Mahajan, A. Datt & Sundharam's Indian Economy. New Delhi: S. Chand & Co.
3) Misra, S.K. & Puri, V.K. Indian Economy. New Delhi: Himalya Publishing House.



১০.১০ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্ন উত্তৰ ঃ (গ) ২০০২-০৭

২ নং প্ৰশ্ন উত্তৰ ঃ (ঘ) (ক) আৰু (গ)

৩ নং প্ৰশ্ন উত্তৰ ঃ (খ)

৪ নং প্ৰশ্ন উত্তৰ ঃ (ক)

৫ নং প্ৰশ্ন উত্তৰ ঃ (ক)

৬ নং প্ৰশ্ন উত্তৰ ঃ (ঘ)

৭ নং প্ৰশ্ন উত্তৰ ঃ (ঘ)



১০.১১ আৰ্হি প্ৰশ্ন

চমু প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ ১৫০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

১ নং প্ৰশ্ন ঃ পৰিকল্পনা আয়োগৰ ওপৰত এটি চমু টোকা লিখক।

২ নং প্ৰশ্ন ঃ ভাৰতত অৰ্থনৈতিক পৰিকল্পনাৰ বিফলতাৰ বিষয়ে আলোচনা কৰক।

৩ নং প্ৰশ্ন ঃ পৰিকল্পনাৰ প্ৰকাৰ সমূহৰ বিষয়ে আলোচনা কৰক।

৪ নং প্ৰশ্ন ঃ বিকেন্দ্ৰীভূত পৰিকল্পনা কি ? ইয়াৰ গুণ আৰু দোষ সমূহ উল্লেখ কৰক।

ৰচনাধৰ্মী প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ ৩০০-৫০০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

১ নং প্ৰশ্ন ঃ ভাৰতৰ বিভিন্ন পঞ্চবাৰ্ষিক পৰিকল্পনাত অন্তৰ্ভূক্ত প্ৰধান লক্ষ্য সমূহ ব্যাখ্যা কৰক।

২ নং প্ৰশ্ন ঃ ভাৰতৰ দ্বাদশ পঞ্চবাৰ্ষিক পকিল্পনাৰ আৰ্হি সম্পৰ্কে এক সমীক্ষাত্মক আলোচনা আগবঢ়াওঁক।

*** ***** ***